# অসম বিধান সভা

## মৌখিক উত্তৰৰ বাবে প্ৰশ্ন সমূহৰ তালিকা

## বুধবাৰ, ৩০ ডিচেম্বৰ, ২০২০

## জলসম্পদ, বিজ্ঞান আৰু প্ৰযুক্তি, তথ্য প্ৰযুক্তি, সাংস্কৃতিক পৰিক্ৰমা, গুৱাহাটী উন্নয়ন, আইন আৰু ন্যায়িক, শ্ৰম কল্যাণ (স্বতন্ত্ৰ দায়িত্ব), চাহ জনজাতি কল্যাণ (স্বতন্ত্ৰ দায়িত্ব)।

## প্ৰশ্ন সমূহৰ মুঠ সংখ্যা -২০

*Sub :* **LA case etc.**

**Shri Sherman Ali Ahmed :**

*41. Will the Minister of Water Resources be pleased to state :

(a) In view of reply to starred Q No. 58 dtd. 02/09/2020 regarding LA case No. 2/2013-14, 3/2013-14, 4/2013-14 & 5/2013-14 pertaining to scheme "Immediate measures to B/dyke from Bahari to Baghbar under SDRF for 2012-13," whether the land possession certificate has been received ? When the affected beneficiaries shall get their dues ? Please furnish details.

(b) In view of reply to the said question, what is the present status of the scheme "Anti erosion measures to protect both bank of river Aie Manas at different reaches from Bartari bridge crossing to Hapachar village" ? Please furnish details.

(c) In view of reply to starred Q No. 167 dtd. 25/03/2020, what is the present status of the scheme "Preparation of DPR for the scheme Integrated Aie-River Basin Management in Assam" ? Please furnish details.

*বিষয় :* **হৰ্জ্জৰ বৰ্মনৰ শিলালিপি ।**

শ্ৰীবৃন্দাবন গোস্বামী :

*৪২। মাননীয় প্ৰত্নতত্ত্ব বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে :

(ক) তেজপুৰৰ পৰ্ব্বতীয়া গাঁও পঞ্চায়তৰ অন্তৰ্গত টিংগেশ্বৰ মন্দিৰৰ তলত ব্ৰহ্মপুত্ৰৰ খহনীয়াত অসমৰ অমূল্য ঐতিহাসিক সম্পদ হৰ্জ্জৰ বৰ্মনৰ শিলালিপিখন হেৰাই যোৱাৰ উপক্ৰম হৈছে। এই বিষয়ে চৰকাৰ অৱগতনে ?

(খ) চৰকাৰে ঐতিহাসিক সম্পদটি সুৰক্ষিত কৰাৰ ব্যৱস্থা ল'বনে ?

*বিষয় :* **মথাউৰি ও ভূমি অধিগ্ৰহণ সম্পৰ্কে ।**

শ্ৰীচাহাব উদ্দিন আহমেদ :

*৪৩। মাননীয় জলসম্পদ বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে :

(ক) যোৱা ২০১৪-১৫ ইং বৰ্ষত FMP আঁচনিৰ জৰিয়তে নিৰ্মাণ হোৱা গোৱালপাৰা জিলাৰ খৰমুজাৰ পৰা নিচিনপুৰলৈকে যোৱা মথাউৰিত

প্ৰায় ৩ কিঃ মিঃ মান জলেশ্বৰ টাকিমাৰীৰ পৰা নিচিনপুৰলৈকে মথাউৰিৰ ছিঙা অংশ পুনৰ নিৰ্মাণৰ বিষয়টো বিভাগীয় মন্ত্ৰী মহোদয়ৰ অৱগত নে ? জনাব।

(খ) যদি অৱগত, তেন্তে মথাউৰি নিৰ্মাণৰ বাবে টাকিমাৰী অঞ্চলৰ দুখীয়া ৰাইজৰ ভূমি অধিগ্ৰহণ কৰা ব্যক্তিৰ নাম ও ঠিকনা আৰু ভূমিৰ পৰিমাণ উল্লেখ কৰি বিশদভাৱে সদনত তথ্য দাখিল কৰিব।

(গ) যদি মাটি অধিগ্ৰহণ কৰা হৈছিল তেন্তে ভূমিৰ গৰাকীসকলে চৰকাৰীভাৱে ভূমিৰ মূল্য পাইছেনে ? যদি পোৱা নাই, তেন্তে বিভাগীয় কৰ্তৃপক্ষই কিমান দিনৰ ভিতৰত অধিগ্ৰহণ কৰা মাটিৰ মূল্য আদায় দিব ? তথ্য সদনত দাখিল কৰিব।

(ঘ) ওপৰত উল্লেখিত মথাউৰি নিৰ্মাণ কাৰ্য্যত জড়িত ঠিকাদাৰসকলে তেওঁলোকৰ প্ৰাপ্য টকা আদায় পাইছেনে ? যদি আদায় পোৱা নাই, তেন্তে কিমান দিনৰ ভিতৰত আদায় দিব, তথ্য সহকাৰে সদনত দাখিল কৰিব।

*বিষয় ঃ* **ডুমডুমা ছাত্ৰী-নিবাস ।**

শ্ৰীদুৰ্গা ভূমিজ ঃ

*৪৪। মাননীয় চাহ জনজাতি কল্যাণ বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) ২০১০ চনতে ডুমডুমাৰ বিছাকুপি চাহ বাগিছাৰ সমীপত চাহ জনজাতি ছাত্ৰী-নিবাস সম্পূৰ্ণ হৈছে । বিগত বিধান সভাত বিভাগীয় মন্ত্ৰী ডাঙৰীয়াই মুকলি কৰাৰ কথা কৈছিল যদিও আজিলৈকে কিয় মুকলি নহ'ল জনাবনে ?

(খ) ডুমডুমা ছাত্ৰী-নিবাস কিয় আজিলৈকে মুকলি কৰা নাই ? ছাত্ৰী-নিবাস নোহোৱাৰ কাৰণে বহুত চাহ জনজাতিৰ ছাত্ৰী ভাড়া ঘৰত থাকি ভাড়া দিব নোৱাৰি শিক্ষা আধাতে সামৰিব লগা হৈছে। শিক্ষাৰ ক্ষেত্ৰত ছাত্ৰীসকলক কিয় ইমান অবহেলা কৰা হৈছে জনাবনে ? যদি ডুমডুমাৰ ছাত্ৰী-নিবাস মুকলি কৰা হ'ব, কেতিয়া কৰা হ'ব দিন, তাৰিখ সদনৰ মজিয়াত ঘোষণা কৰিবনে ?

*বিষয় ঃ* **ৰঙ্গমঞ্চ নিৰ্মাণ ।**

শ্ৰীঅতুল বৰা ঃ

*৪৫। মাননীয় সাংস্কৃতিক বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) যোৱা ২০-১১-২০১৯ ত ক্ষেত্ৰীৰ হেলাগোগত সাংস্কৃতিক সঞ্চালকৰ অনুমোদিত এখন ৰঙ্গমঞ্চ আঁচনিৰ আধাৰ শিলা স্থাপন কৰা হয় । জানিব পৰা মতে হাউচফেডৰ দ্বাৰা কামখিনি কৰাৰ কথা আছিল। কামখিনি কিয় সম্পূৰ্ণ হৈ নুঠিল জনাবনে ?

(খ) উক্ত আঁচনিৰ বাবদ ধন কিমান আৱণ্টন হৈছিল ?

(গ) এটকাও ধন পোৱা নাই বুলি ঠিকাদাৰে কাম সম্পূৰ্ণ নকৰাকৈ পেলাই থৈছে । কথাটো সঁচানে ?

*Sub :* **Provident fund.**

**Dr. Numal Momin :**

*46. Will the Minister of Labour Welfare be pleased to state :

(a) How many retired tea garden labour in Government registered Tea Garden under Bokajan LAC has not received Provident Fund till date ? Give details, Garden wise.

(b) What is the reason of delay in the process of providing their PF ?

(c) What action has been taken by the Labour Department so far to give their due ?

*বিষয় ঃ* **বানপানীৰ ক্ষয়-ক্ষতি ।**

শ্ৰীৰেকিবুদ্দিন আহমেদ ঃ

*৪৭। মাননীয় জলসম্পদ বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) বিগত বৰ্ষত অসমত হোৱা বানপানীৰ সময়ত ক'ত ক'ত মথাউৰি ছিগিছিল আৰু কিমান গাঁও প্লাৱিত হৈ ক্ষতিগ্ৰস্ত হৈছে ?

(খ) এই বিত্তীয় বৰ্ষত চৰকাৰে বানপানীৰ সাহায্যৰ নামত কিমান ধন মোকলাই দিছে ? জিলাভিত্তিত তথ্য দাঙি ধৰিব ।

(গ) বিগত বৰ্ষত কেন্দ্ৰীয় চৰকাৰৰ পৰা কিমান টকা বানপানীৰ নামত সাহায্য লাভ কৰিলে, সবিশেষ জনাব ।

*বিষয় ঃ* **বিজ্ঞান কেন্দ্ৰ স্থাপন ।**

শ্ৰীআবুল কালাম ৰশিদ আলম ঃ

*৪৮। মাননীয় বিজ্ঞান আৰু প্ৰযুক্তি বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) অসমৰ বিভিন্ন জিলাসমূহত Science Centre স্থাপনৰ কাৰণে চৰকাৰে কিবা পৰিকল্পনা কৰিছে নেকি ?

(খ) যদি কৰিছে, কোন কোন জিলাত স্থাপন কৰিব ? ইয়াৰে কোন কোন জিলাত স্থাপন কৰা হৈছে, কোন কোন জিলাত স্থাপন কৰিব আৰু কেতিয়া স্থাপন কৰিব ? গোৱালপাৰা জিলাত Science Centre কেতিয়া স্থাপন কৰিব তথ্যসহ জনাব ।

*বিষয় ঃ* **ব্ৰহ্মপুত্ৰৰ গৰাখহনীয়া প্ৰতিৰোধৰ আঁচনি সম্পৰ্কত ।**

শ্ৰীৰমেন্দ্ৰ নাৰায়ন কলিতা ঃ

*৪৯। মাননীয় জলসম্পদ বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) ব্ৰহ্মপুত্ৰ আৰু ইয়াৰ উপনৈ সমূহৰ গৰাখহনীয়া প্ৰতিৰোধৰ বাবে চৰকাৰে ২০১৮-১৯ আৰু ২০১৯-২০ চনত কিমানখন আঁচনি গ্ৰহণ কৰিছে জনাবনে ? (আঁচনিৰ নাম আৰু পুঁজিৰ পৰিমাণ উল্লেখ কৰি সদনৰ মজিয়াত দাখিল কৰিব)

(খ) বৰ্ত্তমানলৈকে অসমৰ কিমান মাটি ব্ৰহ্মপুত্ৰ আৰু ইয়াৰ উপনৈ সমূহৰ গৰাখহনীয়াৰ কবলত জাহ গ'ল, জনাবনে ?

(গ) অসমৰ বান আৰু গৰাখহনীয়া সমস্যাটো ৰাষ্ট্ৰীয় সমস্যা হিচাপে গণ্য কৰিবলৈ ৰাজ্য চৰকাৰে কেন্দ্ৰীয় চৰকাৰলৈ প্ৰস্তাৱ গ্ৰহণ কৰিছেনে ?

(ঘ) পশ্চিম গুৱাহাটী সমষ্টিৰ খানাজান নদীৰ গাৰ্ডৱালৰ আধৰুৱা কাম ২০২০-২১ চনত সম্পূৰ্ণ কৰাৰ ব্যৱস্থা গ্ৰহণ কৰিবনে ?

(ঙ) বৰঝাৰ আন্তৰ্জাতিক বিমান বন্দৰৰপৰা বাৰিষা কালত হোৱা কৃত্ৰিম বানপানীৰ নিষ্কাশণৰ বাবে বৰঝাৰ বিমান বন্দৰৰ পৰা আমবৰী-কুহাবৰী হৈ মাজিৰ গাঁৱৰ মাজেৰে ব্ৰহ্মপুত্ৰত নলা খান্দি পেলোৱাৰ ব্যৱস্থা গ্ৰহণ কৰিবনে ?

*বিষয় ঃ* **বরাক এবং কুশিয়ারা নদী খনন ।**

শ্ৰীকমলাক্ষ দে পুৰকায়স্থ ঃ

*৫০। মাননীয় জলসম্পদ বিভাগের মন্ত্রী মহোদয় অনুগ্রহ করিয়া জানাবেন কি ঃ

(ক) গত ০২-০৯-২০২০ তারিখে রাজ্য বিধানসভায় ১০৩ নম্বর লিখিত প্রশ্নের উত্তরে সরকার বলেছিলেন যে বরাক ও কুশিয়ারা নদীর খননের কাজ কত শতাংশ শেষ হয়েছে । এই সম্পর্কে তথ্য চেয়ে রাজ্য সরকার ভারত সরকারের Inland Water Authority of India বিভাগের সঙ্গে পত্র মারফত যোগাযোগ করেছিল । এই ব্যাপারে ভারত সরকারের তরফ থেকে কি উত্তর/তথ্য দেওয়া হয়েছে তা সদনে উপস্থাপন করার অনুরোধ জানাই ।

(খ) গত ০২-০৯-২০২০ তারিখে রাজ্য বিধান সভায় ১০৩ নম্বর লিখিত প্রশ্নের উত্তরে সরকার বলেছিলেন যে কুশিয়ারা নদী দিয়ে বাণিজ্যিক জাহাজের চলাচল রয়েছে। বিগত ৫ বছরে এই জলপথ দিয়ে কবে কবে, কোথা থেকে, কয়টি বাণিজ্যিক জাহাজ চলাচল করেছে তার বিস্তারিত তথ্য সদনে উপস্থাপন করার অনুরোধ জানাই।

(গ) কুশিয়ারা দিয়ে এই ধরনের বাণিজ্যিক জাহাজ চলাচল করছে কি ?

(ঘ)বরাক ও কুশিয়ারা নদীর খননের জন্য কত অর্থ রাশি খরচ হয়েছে ? এই নদীর খননের ফলে এই জলপথ দিয়ে পন্যবাহী জাহাজের চলাচল বেড়েছে কি ? একটি তুলনা মূলক পরিসংখ্যান সদনে উপস্থাপন করার অনুরোধ জানাই ।

*বিষয় ঃ* **গৰাখহনীয়া প্ৰতিৰোধ ।**

শ্ৰীআমিনুল ইছলাম ঃ

*৫১। মাননীয় জলসম্পদ বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক)ক্ৰমাৎ বাম হৈ পৰা ব্ৰহ্মপুত্ৰ নদীৰ তলি

খান্দি পানীখিনি এটা মূলসুতিৰে বোৱাই নিয়াৰ ক্ষেত্ৰত চৰকাৰে কি ব্যৱস্থা গ্ৰহণ কৰিব বা কৰিছে ?

(খ) ধিং মোৱামাৰী-লেৰুৱামুখ এলেকাৰ খহনীয়া প্ৰতিৰোধ কৰিবলৈ চৰকাৰে কি ব্যৱস্থা গ্ৰহণ কৰিছে ? (বিত্তীয় তথ্য সহ জনাব)

(গ) জেঙনী-কলাডুবাৰ পৰা উধানতলা হৈ কান্দুলীমাৰীলৈ যোৱা ধিং বান্ধটো জৰাজীৰ্ণ হৈ পৰাটো চৰকাৰৰ অৱগতনে ? অতি সোনকালে চৰকাৰে ধিং বান্ধটো মেৰামতি কৰাৰ ব্যৱস্থা ল'বনে ?

*Sub :* **Protect, Promote and Preserve the Culture of Assam.**

**Shri Abdur Rashid Mandal :**

*52. Will the Minister of Cultural Affairs be pleased to state :

(a) How much amount of fund were budgeted, sanctioned, released and utilized in the Cultural Affairs Deptt. for the year 2018/19, 2019/2020 and 2020/21 ? Please furnish the year wise and works basis amount sanctioned and utilized during the above mentioned period.

(b) What steps are taken to protect, preserve and promote the culture of Assam in the light of Assam Accord, 15th August, 1985 ?

(c) Will the Govt. please furnish the list of all ethnic and indigenous Castes and Communities in Assam and expenditure incurred during the above period separately for all ethnic Castes and Communities, furnishing the items works done ?

*Sub :* **Prevention of River Erosion at Panikhaity.**

**Smt. Nandita Das :**

*53. Will the Minister of Water Resources Development be pleased to state :

(a) Is the Govt. aware that in a stretch of about 1200 meters in the down stream of Panikhaity in Chamaria Rev. Circle under Boko LAC, Kamrup, the river erosion is going on causing loss of agriculture land, house properties etc.?

(b) If yes, what steps have been taken by the department to prevent such river erosion for the interest of saving agriculture land and house properties of that locality ?

(c) If not, will the department start initiative to prevent the river erosion within this financial year before rain starts ?

*বিষয় :* **খহনীয়া প্ৰতিৰোধৰ আঁচনি ।**

**শ্ৰীজাকিৰ হুছেইন সিকদাৰ :**

*৫৪। মাননীয় জলসম্পদ বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে :

(ক) ২০১৬ চনৰ পৰা বৰ্তমানলৈকে সৰুক্ষেত্ৰী সমষ্টিত বিভিন্ন নদীত কিমান খহনীয়া হৈছে ? বৰ্ষ হিচাপে পৃথকে পৃথকে তথ্য দিব ।

(খ) এই খহনীয়া প্ৰতিৰোধৰ বাবে বিভাগে কি কি আঁচনি লৈছিল তাৰ তথ্য বিতংকৈ দিব ।

(গ) খহনীয়া প্ৰতিৰোধৰ বাবে ২০১৬ চনৰ পৰা বৰ্তমানলৈকে কি কি আঁচনিৰ কাম সম্পূৰ্ণ হৈছে ? বিতংকৈ জনাব ।

(ঘ) খহনীয়াৰ ফলত ক্ষয়-ক্ষতি হোৱা এইবোৰ কেতিয়া মেৰামতি বা পুনৰ সংস্থাপনৰ ব্যৱস্থা কৰিব সেয়া বিতংকৈ জনাব ।

*বিষয় :* **শ্ৰমিক সকলৰ বাবে চৰকাৰৰ আঁচনি ।**

**শ্ৰীমামুন ইমদাদুল হক চৌধুৰী :**

*৫৫। মাননীয় শ্ৰম কল্যাণ বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে :

(ক) অসম চৰকাৰৰ শ্ৰমিক কল্যাণৰ বাবে কি কি আঁচনি আছে ? সবিশেষ জনাব ।

(খ) কেন্দ্ৰীয় চৰকাৰৰ কিবা আঁচনি বিভাগটোৰ অধীনত চলিছে নেকি ? যদি চলিছে জনাব ।

*বিষয় ঃ* **গৰাখহনীয়া প্ৰতিৰোধ সম্পৰ্কে ।**

শ্ৰীৰফিকুল ইছলাম ঃ

*৫৬। মাননীয় জলসম্পদ বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) জনীয়া সমষ্টিৰ মাজেদি বৈ যোৱা বেকী, মানাহ, চাউলখোৱা আৰু ভেলেঙী নদীৰ গৰাখহনীয়া প্ৰতিৰোধৰ বাবে চৰকাৰে তৎকালিনভাৱে পুঁজি আৱণ্টন কৰিবনে, সদনক জনাব।

(খ) যোৱা চাৰিটা বছৰত গৰাখহনীয়া প্ৰতিৰোধৰ বাবে অসমৰ কোন জিলাত, কিমান টকা ব্যয় সাপেক্ষে কি, কি আঁচনি লোৱা হয়, সদনক জনাব।

*বিষয় ঃ* **গৰাখহনীয়া প্ৰতিৰোধ ।**

শ্ৰীঅনন্ত কুমাৰ মালো ঃ

*৫৭। মাননীয় জলসম্পদ বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) বঙাইগাঁও জিলাৰ অভয়াপুৰী দক্ষিণ সমষ্টিত যোৱা দুইবছৰত বানপানী আৰু গৰাখহনীয়াৰ কবলত পৰি ভেটি মাটি হেৰুৱাই কোন কোন গাঁৱৰ কিমান পৰিয়াল ক্ষতিগ্ৰস্ত আৰু সৰ্ব্বস্বান্ত হৈ দুৰ্বিসহ জীৱন যাপন কৰি আছে ? (তালিকা সদনত দাখিল কৰিব) বিভাগে এওঁলোকৰ কাৰণে কি ব্যৱস্থা হাতত লৈছে ?

(খ) ২০২০-২১ চনৰ বাজেট অধিবেশনত বিভাগীয় মন্ত্ৰী মহোদয়ক ডুবাচুৰী, ছিকাটাৰী, মধুকল, যোগীঘোপাৰ কৰেয়া গাঁৱৰ গৰাখহনীয়া প্ৰতিৰোধৰ বাবে লিখিত প্ৰতিবেদন দিয়া হৈছিল, উক্ত বিষয়ত কিমান অগ্ৰগতি লাভ কৰিছে ? অনুগ্ৰহ কৰি জনাবনে ?

*বিষয় ঃ* **প্ৰেক্ষাগৃহ নিৰ্মাণ ।**

শ্ৰীবিনন্দ কুমাৰ শইকীয়া ঃ

*৫৮। মাননীয় সাংস্কৃতিক পৰিক্ৰমা বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

যোৱা ২০১৯-২০ বিত্তীয় বৰ্ষৰ বাজেটত অন্তৰ্ভুক্ত হোৱা অনুসৰি ছিপাঝাৰত স্থাপন হ'বলগীয়া 'ছিপাঝাৰ সাংস্কৃতিক কেন্দ্ৰৰ কাৰ্যালয় তথা ললিত নাথ ওজা সোঁৱৰণী প্ৰেক্ষাগৃহ' নিৰ্মাণৰ প্ৰাৰম্ভিক কাম কেতিয়ালৈ আৰম্ভ কৰা হ'ব, জনাবনে ?

*বিষয় ঃ* **বানপানীৰ ক্ষয়-ক্ষতি ।**

শ্ৰীৰেকিবুদ্দিন আহমেদ ঃ

*৫৯। মাননীয় জলসম্পদ বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) ব্ৰহ্মপুত্ৰ খননৰ কাম আৰম্ভ হৈছে নেকি ? এই খননৰ কামৰ অগ্ৰগতিৰ বিষয়ে সবিশেষ জনাব।

(খ) ব্ৰহ্মপুত্ৰ খননৰ বাবে ড্ৰেজাৰ অনাৰ সিদ্ধান্ত লোৱা হৈছিল নেকি ? যদি হৈছিল, কিমান অনা হৈছিল আৰু ক'ত ক'ত কাম চলি আছে বিতংভাৱে জনাব।

*বিষয় ঃ* **গৰাখহনীয়া আৰু স্থায়ী বান্ধ নিৰ্মাণ ।**

শ্ৰীআবুল কালাম ৰশিদ আলম ঃ

*৬০। মাননীয় জলসম্পদ বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) ৩৭ নং গোৱালপাৰা পূৱ বিধান সভাৰ সমষ্টিৰ নৱাগতা শিমলীতলাৰ পৰা পঞ্চৰত্ন পাহাৰলৈ প্ৰত্যেক বছৰে ব্ৰহ্মপুত্ৰ নদীৰ গৰাখহনীয়াৰ ফলত হাজাৰ হাজাৰ বিঘা মাটি আৰু ঘৰবাৰী উটুৱাই লৈ গৈ আছে তাৰ কিবা প্ৰতিকাৰৰ ব্যৱস্থা চৰকাৰে কৰিবনে ? যদি নকৰে, কিয় আৰু যদি কৰিব, কিমান দিনৰ ভিতৰত কৰিব তথ্যসহকাৰে জনাব।

(খ) গোৱালপাৰা জিলাৰ বলবলা অঞ্চলত থকা জিনাৰী নদী আৰু কৃষ্ণাই নদীৰ দুয়োকাষেৰে স্থায়ী বান্ধ নিৰ্মাণ কৰি Flash Flood সমস্যাৰ পৰা ৰক্ষা পাবলৈ চৰকাৰে কিবা আঁচনি হাতত লৈছেনে ? যদি লৈছে, সেয়া কিমান দিনৰ ভিতৰত সম্পূৰ্ণ কৰিব আৰু যদি লোৱা নাই কিয় তথ্যসহ জনাব।

(গ) গৰাখহনীয়া প্ৰতিৰোধৰ বাবে গোৱালপাৰা ডেকধোৱা পাহাৰৰ পৰা হুলুকান্দা পাহাৰলৈ আৰু হুলুকান্দা পাহাৰৰ পৰা পঞ্চৰত্ন পাহাৰলৈ শিলেৰে স্থায়ী বান্ধ নিৰ্মাণ কৰি গোৱালপাৰা চহৰখনক গৰাখহনীয়াৰ কবলৰ পৰা ৰক্ষা কৰিব পৰা নাযাব নেকি ? যদি নাযায়, কিয় ? আৰু যদি যায়, তেন্তে চৰকাৰে কেতিয়া এই আঁচনি গ্ৰহণ কৰিব তথ্যসহ জনাব।

AGP (Mini) 106/20-L.A.Q.-750-19-12-20